# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 05-02-2025
**Time :** 0705 hrs

## *Assamese Morning Bulletin*

## HEADLINES

১। ৭০ জনীয়া দিল্লী বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ আজি আৰম্ভ হৈছে।

২। লোকসভাত কালি সংসদৰ যুটীয়া বৈঠকক উদ্দেশ্যি দিয়া ৰাষ্ট্ৰপতিৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত মহাকুম্ভ মেলা দৰ্শন কৰিব।

৪। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি নতুন দিল্লীত জম্মু-কাশ্মীৰৰ নিৰাপত্তা সম্পৰ্কীয় এখন বৈঠকত ভাগ লয়।

*আৰু*

৫। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদে ইংলেণ্ডৰ বিৰুদ্ধে কাইলৈ আৰম্ভ হ'বলগীয়া তিনিখনীয়া এদিনীয়া শৃংখলাৰ বাবে বৰুণ চক্ৰৱৰ্তীক ভাৰতৰ দলত অন্তৰ্ভুক্ত কৰিছে।

ooooo

৭০ জনীয়া দিল্লী বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ আজি আৰম্ভ হৈছে। পুৱা ৭ বজাৰ পৰা আৰম্ভ হোৱা এই ভোটগ্ৰহণ সন্ধিয়া ৬ বজাত সামৰণি পৰিব। এইবাৰৰ নিৰ্বাচনত ১ কোটি ৫৬ লাখ ভোটদাতাই ৬৯৯ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। মুঠ ভোটদাতাৰ ভিতৰত ৮৩ লাখৰো অধিক পুৰুষ, প্ৰায় ৭২ লাখ মহিলা আৰু এহেজাৰ ২৬৭ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে। দিল্লী নিৰ্বাচনৰ গুৰুত্বপূৰ্ণ প্ৰাৰ্থীসকলৰ ভিতৰত আম আদমী পাৰ্টীৰ ৰাষ্ট্ৰীয় আহ্বায়ক অৰবিন্দ কেজৰিৱাল, দিল্লীৰ মুখ্যমন্ত্ৰী আতিষী আৰু মন্ত্ৰী গোপাল ৰায়, বিজেপিৰ ৱিজেন্দৰ গুপ্তা, প্ৰৱেশ ৱাৰ্মা, ৰমেশ বিধোৰী আৰু কৈলাশ গেহলট, কংগ্ৰেছৰ সন্দীপ দিক্সিত, হাৰুণ ইউছুফ আৰু আলকা লাম্বা অন্যতম। ৰাষ্ট্ৰীয় ৰাজধানীখনত নিৰ্বাচন নিয়াৰিকৈ আৰু শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰাৰ বাবে যাৱতীয় সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ৭০টা বিধানসভা সমষ্টিত ১৩ হাজাৰ ৭০০ৰো অধিক ভোটকেন্দ্ৰ স্থাপন কৰা হৈছে। ইয়াৰ ভিতৰত ৭০টা ভোটকেন্দ্ৰ সম্পূৰ্ণ ৰূপে মহিলাৰ দ্বাৰা পৰিচালিত হোৱাৰ লগতে আন ৭০টা ভোটকেন্দ্ৰ দিব্যাংগসকলৰ দ্বাৰা পৰিচালিত হ'ব। নিৰ্বাচন আয়োগে দিল্লী বিধানসভাৰ নিৰ্বাচন সূচাৰুৰূপে পৰিচালনাৰ বাবে ১ লাখ ৮০ হাজাৰৰো অধিক বিষয়া-কৰ্মচাৰী নিয়োগ কৰিছে। ভোটকেন্দ্ৰসমূহত ভোটদাতাসকলৰ সুবিধা হোৱাকৈ হুইল চেয়াৰ, চিকিৎসা কৰ্মীৰ দল, ক্ৰেচৰ সুবিধাকে ধৰি প্ৰায় সকলোবোৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি নিৰ্বাচনী বিষয়া তথা ভোটদাতাসকলে যাতে সময়মতে ভোটকেন্দ্ৰত উপস্থিত হ'ব পাৰে তাৰবাবে আজি পুৱা ৪ বজাৰ পৰাই দিল্লী মেট্ৰ'ৰ সেৱা আৰম্ভ কৰা হৈছে।

দিল্লীৰ লেফটেনেণ্ট গভৰ্ণৰ বিনয় কুমাৰ ছাক্সেনাই জনসাধাৰণক সদলবলে ওলাই আহি নিজৰ ভোটৰ অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনাইছে। শ্ৰীছাক্সেনাই কয়, যে ভোটদানৰ অধিকাৰে জনসাধাৰণক তেওঁলোকে বিচৰা ধৰণে দিল্লী চহৰক গঢ়ি তোলাত সহায় কৰিব। নিৰ্বাচনত জনসাধাৰণৰ অংশগ্ৰহণে শক্তিশালী গণতন্ত্ৰণৰ ভেঁটি নিৰ্ণয় কৰে বুলি লেফটেনেণ্ট গভৰ্ণৰগৰাকীয়ে উল্লেখ কৰে।

ooooo

লোকসভাত কালি সংসদৰ যুটীয়া বৈঠকক উদ্দেশ্যি দিয়া ৰাষ্ট্ৰপতিৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ গ্ৰহণ কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই সন্দৰ্ভত হোৱা আলোচনাৰ উত্তৰ দিয়াৰ পাছতে সদনত ধ্বনি ভোটৰ জৰিয়তে এই প্ৰস্তাৱ গ্ৰহণ কৰা হয়। লোকসভাত কালি ধন্যবাদসূচক প্ৰস্তাৱৰ আলোচনাৰ উত্তৰ দি প্ৰধানমন্ত্ৰীয়ে সংবিধানত উল্লেখিত মূল্যবোধ শক্তিশালী কৰি ৰখাৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাত আলোকপাত কৰে। ৰাষ্ট্ৰপতিৰ ভাষণৰ কথা উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে সংবিধানৰ প্ৰতি তেওঁৰ চৰকাৰৰ দায়বদ্ধতাই দলক শক্তিশালী আৰু জনসাধাৰণৰ কল্যাণমুখী সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত অনুপ্ৰাণিত কৰি আহিছে। শ্ৰীমোদীয়ে কয়, যে তেওঁৰ চৰকাৰৰ কল্যাণকামী পদক্ষেপৰ ফলস্বৰূপে ২৫ কোটি লোক দৰিদ্ৰতাৰ পৰা মুক্ত হৈছে। এন ডি এ চৰকাৰে সকলো আঁচনিৰ ১০০ শতাংশ ৰূপায়ণৰ জৰিয়তে বিকশিত ভাৰতৰ লক্ষ্য প্ৰাপ্তিৰ দিশত কাম কৰি আছে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে এই ক্ষেত্ৰত ৰাষ্ট্ৰপতিৰ ভাষণে নতুন আশা দেখুওৱাৰ লগতে জনসাধাৰণক অনুপ্ৰাণিত কৰিছে। তেওঁৰ চৰকাৰে দেশৰ যুৱক-যুৱতীসকলৰ বাবে নিয়োগৰ সুযোগ সৃষ্টি কৰিছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ লোকক পৰ্যাপ্ত সুযোগ প্ৰদানৰ বাবে ক্ষিপ্ৰতাৰে কাম কৰি থকা হৈছে।

বিগত ৭ দশক জুৰি জম্মু-কাশ্মীৰ আৰু লাডাখ সাংবিধানিক অধিকাৰৰ পৰা বঞ্চিত হৈ থকাৰ বিষয়ত আলোকপাত কৰি শ্ৰীমোদীয়ে কয়, যে এয়া সংবিধান তথা জম্মু-কাশ্মীৰ আৰু লাডাখৰ জনসাধাৰণৰ বাবে অন্যায় আছিল। তেওঁ কয়, যে সংবিধানৰ ৩৭০ নম্বৰ অনুচ্ছেদ বাতিল কৰাৰ পাছত এই খণ্ডৰ জনসাধাৰণে দেশৰ আন নাগৰিকৰ দৰে একে অধিকাৰ লাভ কৰিবলৈ সমৰ্থ হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত মহাকুম্ভ মেলা দৰ্শন কৰিব। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে ত্ৰিবেণী সংগমত পৱিত্ৰ স্নান কৰিব। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে ভ্ৰমণৰ সময়ছোৱাত প্ৰধানমন্ত্ৰীক সংগ দিব। শ্ৰীমোদীয়ে ত্ৰিবেণী সংগমত পূজা-অৰ্চনাও কৰিব। তেওঁ লগতে মহাকুম্ভত সাধু-সন্ন্যাসীসকলৰ সৈতেও মত-বিনিময় কৰাৰ কথা। উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা ১৯ জানুৱাৰীত আকাশবাণীৰ মন কী বাত অনুষ্ঠানত মহাকুম্ভই অনৈক্যৰ মাজত ঐক্যক উদযাপন কৰে বুলি উল্লেখ কৰিছিল। তেওঁ লগতে কুম্ভই ধনী-দুখীয়া সকলো লোকে একেলগে সংগমত স্নান কৰাটোৰেই দেশৰ একতাকে প্ৰতিফলিত কৰে বুলি প্ৰকাশ কৰিছিল।

দেশৰ আধ্যাত্মিক আৰু সাংস্কৃতিক ঐতিহ্যৰ প্ৰচাৰ আৰু সংৰক্ষণৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তীৰ্থ স্থানসমূহৰ আন্তঃগাঁথনি আৰু সুবিধা বৃদ্ধি কৰাৰ বাবে বিশেষ ভূমিকা গ্ৰহণ কৰিছে। ইয়াৰ পূৰ্বে বিগত বছৰৰ ১৩ ডিচেম্বৰত প্ৰয়াগৰাজ ভ্ৰমণৰ সময়ত প্ৰধানমন্ত্ৰী মোদীয়ে ৫ হাজাৰ ৫০০ কোটি টকা ব্যয় সাপেক্ষ ১৬৭টা উন্নয়নমূলক প্ৰকল্প উদ্বোধন কৰিছিল।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি নতুন দিল্লীত জন্মু-কাশ্মীৰৰ নিৰাপত্তা সম্পৰ্কীয় এখন বৈঠকত ভাগ লয়। গৃহ সচিব গোবিন্দ মোহন, সেনাপ্ৰধান উপেন্দ্ৰ দ্বিবেদীৰ লগতে জ্যেষ্ঠ বিষয়াসকলে এই বৈঠকত উপস্থিত থাকে।

ইয়াৰ পূৰ্বে যোৱাটো মাহত অনুষ্ঠিত এখন পৰ্যালোচনা বৈঠকত গৃহমন্ত্ৰীগৰাকীয়ে সকলো নিৰাপত্তা সংস্থাকে সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূন্য সহনশীল নীতি গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছিল। নিৰাপত্তা সংস্থাসমূহৰ তৎপৰতাত সন্ত্ৰাসবাদী কাৰ্যকলাপ, অনুপ্ৰৱেশ তথা সন্ত্ৰাসবাদী সংগঠনত যুৱ প্ৰজন্মৰ অন্তৰ্ভুক্তি যথেষ্ট হ্ৰাস পোৱাত নিৰাপত্তা সংস্থাসমূহৰ তেওঁ প্ৰশংসা কৰিছিল।

ooooo

চৰকাৰে প্ৰধানমন্ত্ৰী কিষাণ যোজনাৰ অধীনত সমগ্ৰ দেশৰ খেতিয়কসকললৈ ৩ লাখ কোটিৰো অধিক টকা আগবঢ়াইছে। কৃষি আৰু কৃষক কল্যাণ ৰাজ্যমন্ত্ৰী ৰামনাথ ঠাকুৰে কালি লোকসভাত এটা লিখিত উত্তৰত এই কথা প্ৰকাশ কৰে। শ্ৰীঠাকুৰে লগতে সম্প্ৰতি এই আঁচনিৰ ধন বৃদ্ধি কৰাৰ কোনো প্ৰস্তাৱ নাই বুলি স্পষ্ট কৰি দিয়ে।

ooooo

কেন্দ্ৰীয় গ্ৰামোন্নয়ণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি জল বিভাজন যাত্ৰা শীৰ্ষক ৰাষ্ট্ৰীয় কাৰ্যসূচী মুকলি কৰিব। জল লায়ে ধন-ধ্যান্য বিষয়বস্তুৰে আৰম্ভ কৰিবলগীয়া এই কাৰ্যসূচীৰ লক্ষ্য হৈছে– জল বিভাজন বিকাশৰ সৈতে জড়িত কাৰ্যকলাপ সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ লগতে জনসাধাৰণৰ অংশগ্ৰহণ বৃদ্ধি কৰা। এই কাৰ্যসূচীৰ অধীনত দেশৰ ২৬ খন ৰাজ্য আৰু দুখন কেন্দ্ৰীয় শাসিত অঞ্চলৰ ছহেজাৰ ৬৭৩ খন গাঁও পঞ্চায়তক সামৰি লোৱা হ'ব। এই অভিযানৰ জৰিয়তে জল সংৰক্ষণৰ ক্ষেত্ৰত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হ'ব। প্ৰধানমন্ত্ৰী কৃষি সিঁচাই যোজনাৰ দ্বিতীয় পৰ্যায়ৰ অধীনত গ্ৰহণ কৰা এই কাৰ্যসূচীত কৃষি আৰু পাৰিৱেশিক স্বাস্থ্যৰ উন্নত কৰাৰ ক্ষেত্ৰত বহনক্ষম প্ৰাকৃতিক সম্পদৰ ভূমিকাত আলোকপাত কৰা হৈছে।

ooooo

ছুইডেনৰ ষ্টকহোমৰ পৰা প্ৰায় ২০০ কিলোমিটাৰ পশ্চিমত অৱস্থিত অ'ৰেব্ৰ' চহৰৰ এটা শৈক্ষিক কেন্দ্ৰত কালি এজন সন্দেহ যুক্ত বন্দুকধাৰীৰ নিৰ্বিচাৰ গুলীচালনাত কমেও ১০ জন লোকৰ মৃত্যু হয়। মৃত লোকসকলৰ ভিতৰত বন্দুকধাৰীজনো আছে বুলি ছুইডেনৰ আৰক্ষীয়ে প্ৰকাশ কৰিছে। অৱশ্যে এই ঘটনাত মৃত্যু হোৱা লোকৰ প্ৰকৃত তথ্য এতিয়াও সঠিকভাৱে জানিবপৰা হোৱা নাই। আৰক্ষীয়ে মৃতকৰ সংখ্যা বৃদ্ধি পাব পাৰে বুলি আশংকা প্ৰকাশ কৰিছে।

ooooo

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদে ইংলেণ্ডৰ বিৰুদ্ধে কাইলৈ আৰম্ভ হ'বলগীয়া তিনিখনীয়া এদিনীয়া শৃংখলাৰ বাবে বৰুণ চক্ৰৱৰ্তীক ভাৰতৰ দলত অন্তৰ্ভুক্ত কৰিছে। ইংলেণ্ডৰ বিৰুদ্ধে শেহতীয়াকৈ অনুষ্ঠিত ৫ খনীয়া টি-টুৱেণ্টি শৃংখলাত বৰুণে দুখনকৈ খেলত ৫টাকৈ উইকেটৰ সৈতে মুঠ ১৪টা উইকেট লাভ কৰি শৃংখলাৰ শ্ৰেষ্ঠ খেলুৱৈ নিৰ্বাচিত হৈছিল।

ৰোহিত শৰ্মা নেতৃত্বাধীন ভাৰতে কাইলৈ নাগপুৰৰ বিদৰ্ভ ক্ৰিকেট সন্থা ষ্টেডিয়ামত শৃংখলাৰ প্ৰথমখন খেলত অৱতীৰ্ণ হ'ব। খেলখন দিনৰ ডেৰ বজাত আৰম্ভ হ'ব।

ooooo

ইণ্ডিয়ান ছুপাৰ লীগ চমুকৈ আই এছ এল ফুটবল প্ৰতিযোগিতাৰ এখন খেলত আজি মোহন বাগান ছুপাৰ জায়েণ্ট পঞ্জাৱ ফুটবল ক্লাৱৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন কলকতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

উল্লেখযোগ্য যে, মোহন বাগানে এতিয়ালৈ ক্ৰমাগত ৮ খন খেলত অপৰাজিত হৈ আছে। ১৩ খন খেলত জয় আৰু ৪ খনত ড্ৰ'ৰে ১৯ খন খেলত মুঠ ৪৩ পইণ্টেৰে দলটো পইণ্ট তালিকাৰ শীৰ্ষত আছে। আনহাতে ৭ খন খেলত জয় আৰু ২ খনত ড্ৰ'ৰে মুঠ ২৩ পইণ্ট সংগ্ৰহ কৰা পঞ্জাৱ ফুটবল ক্লাৱ পইণ্ট তালিকাৰ নৱম স্থানত আছে।

ooooo

**সমাপ্ত**